# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ০৩/০৮/২০১৬

## অসম জাতীয় বিদ্যালয়ত স্কাউট-গাইডৰ কৰ্মশালা

নুনমাটি, গুৱাহাটী ৩ আগষ্ট, ২০১৬ : জুলাই মাহৰ ১১ আৰু ১২ তাৰিখে অসম জাতীয় বিদ্যালয়ৰ স্কাউট-গাইডৰ শিক্ষাৰ্থীসকলক লৈ বিদ্যালয়ে এটি দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰে। ১১ তাৰিখে অনুষ্ঠিত এই কৰ্মশালাত সৰ্বমুঠ ১৪০ গৰাকী স্কাউট-গাইডৰ শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। কৰ্মশালাত বিদ্যালয়ৰ উপাধ্যক্ষ ধ্ৰুৱ শৰ্মা, সহপাঠ্যক্ৰম বিভাগৰ মুৰব্বী ৰঘুনাথ কুমাৰ আৰু স্কাউট-গাইডৰ শিক্ষক ক্ৰমে আবুল হুছেইন (মুৰব্বী), বিকাশ বৈশ্য, দ্বিজেন্দ্ৰ নাথ শৰ্মা আৰু ৰাজু ভট্টাচাৰ্য উপস্থিত থাকে। অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় স্কাউট-গাইডৰ প্ৰতীক সম্বলিত পতাকা উত্তোলনেৰে। পতাকা উত্তোলন কৰে উপাধ্যক্ষ ধ্ৰুৱ শৰ্মাই। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে স্কাউট প্ৰশিক্ষক অম্বিকা প্ৰসাদ শৰ্মা আৰু ছাহজাহান আলী। স্কাউটৰ এই শিক্ষাৰ্থীসকলক লৈ ১২ জুলাই তাৰিখে ১০.৩০ বজাত নুনমাটি এলেকাৰ বহুতো ৰাজহুৱা ঠাই, নুনমাটি নামঘৰ, ছাত্ৰসন্থাৰ কাৰ্যালয় আৰু অসম জাতীয় বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰে। স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে বিদ্যালয়ৰ স্কাউট-গাইডৰ শিক্ষাৰ্থীসকলেও এক ব্যতিক্ৰমী কাৰ্যসূচী হাতত লয়। শেষত অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে বিয়লি ৪.৩০ বজাত অনুষ্ঠান সামৰণি পৰে।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়